ASSAM LE... LIBRARY

# অসম চৰকাৰী ভাষা নিয়মাৱলী—১৯৭০

# THE ASSAM OFFICIAL LANGUAGE RULES, 1970

ASSAM LEGISLATIVE ASSEMBLY

তাৰিখ ১৯ ডিচেম্বৰ, ১৯৭০

২৮ আঘোণ, ১৮৯২

১৯৭০ চনৰ ৩৪নং অসম নিয়মাৱলী

নং পি, এল, চি, ৭।৬৫।৬০---(১৯৬০ চনৰ ৩৩ নং অসম আইন), অসম চৰকাৰী ভাষা আইন ১৯৬০, ৮ম ধাৰামতে অৰ্পণ কৰা ক্ষমতা প্ৰয়োগত অসমৰ ৰাজ্যপাল প্ৰসন্ন হৈ, সেই আইনৰ উদ্দেশ্য সমূহ কাৰ্য্যকৰী কৰিবলৈ তলত দিয়া নিয়মাৱলী যাৰ নাম "অসম চৰকাৰী ভাষা নিয়মাৱলী ১৯৭০" প্ৰণয়ন কৰিছে।

১। (সংক্ষিপ্ত নাম আৰু আৰম্ভনি)—এই নিয়মাৱলী ১৯৭০ চনৰ অসম চৰকাৰী ভাষা নিয়মাৱলী বুলি অভিহিত হব।

২। (সংজ্ঞা)—বিষয়বস্তু আৰু প্ৰসঙ্গ বিশেষত কোনো বিৰোধিতা নাথাকিলে এই নিয়মাৱলীত

(১) "আইন" মানে অসম চৰকাৰী ভাষা আইন ১৯৬০ বুজাব।

(২) এই নিয়মাৱলীত য'তে ব্যৱহাৰ হৈছে, "ইংৰাজী" মানে সংবিধানৰ অনুমতি মতে ব্যৱহাৰ কৰিব পৰালৈকে "ইংৰাজী ভাষা" বুজাব।

৩। (ৰাইজে দিয়া নিবেদন আবেদন আৰু পত্ৰ যোগা-যোগৰ ভাষা)—অভাৱ-অভিযোগ মোচন কাৰবলৈ দিয়া নিবেদন আবেদন আৰু পত্ৰ যোগা-যোগ ৰাজ্যত চলা যি কোনো ভাষাতে ৰাইজে চৰকাৰক দিব পাৰিব।

(১) চৰকাৰৰ ফালৰ পৰা জিলা পৰ্য্যায়ত তেনে নিবেদন আবেদন আৰু পত্ৰ যোগা-যোগলৈ দিয়া উত্তৰ হব—

(ক) ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়াত,

(খ) কাছাৰ জিলাত বঙালীত আৰু

(গ) স্বশাসিত জিলা বা অঞ্চলত ইংৰাজীত, যেতিয়ালৈকে তেনে জিলা বা অঞ্চলে অন্য ভাষা গ্ৰহণ নকৰে।

(২) ৰাজ্যিক সচিবালয় আৰু বিভাগীয় প্ৰধান সকলৰ কাৰ্য্যালয়ৰ পৰা, যি কোনো ভাষাতে পোৱা নিবেদন আবেদন আৰু পত্ৰ যোগা-যোগলৈ দিয়া উত্তৰ, ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলাসমূহত অসমীয়াত আৰু কাছাৰ, স্বশাসিত জিলা আৰু অঞ্চলত ইংৰাজীত দিয়া হব।

ASSAM
LEGISLATIVE ASSEMBLY
LIBRARY

ACC. No. C2284
DATE OF RECD 26/8/26

৪। (ৰাজ্যিক সচিবালয় আৰু বিভাগীয় প্ৰধান সকলৰ কাৰ্য্যালয়ত টিপ্পনী আৰু আদেশ ইত্যাদি)— ৰাজ্যিক সচিবালয়ত আৰু বিভাগীয় প্ৰধান সকলৰ কাৰ্য্যালয়ত টিপ্পনী কাৰ্য্য আৰু আদেশ, ইত্যাদি, অসমীয়াত হব, কিন্তু তেনে চৰকাৰী কাৰ্য্যত, প্ৰশাসনীয় কাৰণত আৱশ্যক হলে ইংৰাজীও ব্যৱহাৰ কৰিব পাৰিব।

৫। (ৰাজ্য আৰু জিলা সমূহৰ মাজত পত্ৰ যোগা-যোগ)—(১) ৰাজ্যিক সচিবালয়, বিভাগীয় প্ৰধান সকলৰ কাৰ্য্যালয় আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলাসমূহৰ কাৰ্য্যালয় বিলাকৰ মাজত পত্ৰ যোগা-যোগ অসমীয়াত হব।

(২) তেনে সকলো পত্ৰ যোগা-যোগ স্বশাসিত জিলাবিলাক, স্বশাসিত অঞ্চল আৰু কাছাৰৰ কাৰ্য্যালয়বিলাকৰ লগত ইংৰাজীত হ'ব, যেতিয়ালৈকে হিন্দিয়ে কেন্দ্ৰীয় চৰকাৰী ভাষা হিচাবে ইংৰাজীৰ স্থান অধিকাৰ নকৰে।

৬। (চৰকাৰী অধিসূচনা আদেশ আৰু পৰি-পত্ৰ ইত্যাদিৰ ভাষা)—(১)ৰাজ্যিক চৰকাৰৰ হৈ বা দ্বাৰা প্ৰেৰণকৰা সকলো চৰকাৰী পৰি-পত্ৰ বা চাৰ্কুলাৰ, অধিসূচনা, সংবাদ পত্ৰ বিজ্ঞপ্তি বা প্ৰেচ-নোট, প্ৰশাসনীয় আৰু কাৰ্য্যকাৰী নিৰ্দ্দেশ আৰু চৰকাৰী গেজেট বা ৰাজপত্ৰ ইংৰাজী অনুবাদেৰে সৈতে অসমীয়াত প্ৰকাশ কৰা হব।

(২) চৰকাৰী কৰ্মচাৰীৰ নিযুক্তি, পদত স্থাপন, বদলি, পদোন্নতি আৰু দণ্ড সম্পৰ্কীয় আদেশ, চৰকাৰী গেজেটত দিয়া বিজ্ঞাপন, টেণ্ডাৰ আৰু নিলামৰ নোটিচ, ইংৰাজী অনুবাদৰ সৈতে অসমীয়াত প্ৰকাশ কৰা হ'ব।

ভৱানীকুমাৰ ভূঞা,
বিশিষ্ট সচিব,
ৰাজনৈতিক বিভাগ,
অসম চৰকাৰ।

The 28th Agrahayana 1892 / 19th December 1970

ASSAM RULE XXXIV OF 1970

*No.PLC.7/65/60.*—In exercise of the powers conferred by Section 8 of the Assam Official Language Act, 1960 (Assam Act No.XXXIII of 1960), the Governor of Assam is pleased to make the following rules for carrying out the purposes of the said Act, namely THE ASSAM OFFICIAL LANGUAGE RULES, 1970.

1. *Short title and commencement.*—These rules may be called the Assam Official Language Rules, 1970.

2. *Definitions.*—In these rules unless there is anything repugnant in the subject or context—

(1) "Act" means the Assam Official Language Act, 1960.

(2) "English" wherever used in these rules means the English Language as long as its use is permitted under the Constitution.

3. *Language of representations, petitions and communications from people.*—Representations for redress of any grievances, petitions and communications may be submitted by the people to the Government in any language used in the State.

(1) Replies to such representations, petitions and communications from the Government at the District levels will be (a) in Assamese in the Brahmaputra Valley Districts, (b) in Bengali in the District of Cachar, and (c) in English in the Autonomous Region or Districts, until such Region or District adopts any other language.

(2) Replies from the State Secretariat and Heads of Department offices to representations, petitions and communications received in any language shall be sent in Assamese in the Brahmaputra Valley districts and English in the District of Cachar and Autonomous Districts and Regions.

4. *Notings and orders in the State Secretariat and heads of Department offices, etc*—Notings and Orders, etc., in the State Secretariat and Offices of the Heads of Departments shall be in Assamese: Provided that English may be used for such official purposes, when it becomes necessarv for administrative reasons.

5. *Communications between the State and the districts.*—(1) All communications between the State Secretariat, offices of the Heads of Departments and offices in the Brahmaputra Valley Districts shall be in Assamese; and

(2) All such communications with offices in the Autonomous Districts, Autonomous Region and Cachar shall be in English until replaced by Hindi as the official language of the Union.

6. *Language of Government notifications, orders, circular, etc.*—(1) All Government Circulars, Notifications, Press notes, Administrative and Executive instructions and the official Gazette issued by or on behalf of the State Government shall be published in Assamese along with English translation.

(2) Orders of appointment, postings and transfer, promotion or punishment of Government employees, advertisements in the Official Gazette, notices for tender and auctions shall be published in Assamese along with English translation.

B. K. BHUYAN,
Special Secy. to the Govt. of Assam,
Political Department.

ASSAM
LEGISLATIVE ASSEMBLY
LIBRARY.
ACC. No. C 2284
DATE OF RECD 26/8/26